T3E1K4




## কোনটো পাতল, কোনটো গধুৰ অনুমান কৰোঁ আহা

**শিক্ষকলৈ নিৰ্দেশনা ঃ** (টেবুলত বিভিন্ন বস্তু, যেনে-কাগজৰ টুকুৰা, চক, ডাষ্টাৰ, গছৰ গুটি, শিলগুটি, বাঁহৰ মাৰি, কাঠৰ টুকুৰা, কিতাপ, বহী, কাপোৰ, কপাহ, লোৰ টুকুৰা আদি ৰাখিব। ছাত্ৰ-ছাত্ৰীক এজন এজনকৈ আহি দুহাতত দুটা বস্তু ল'বলৈ দিব। এতিয়া অনুমান কৰি কোনবোৰ বস্তু পাতল আৰু কোনবোৰ বস্তু গধুৰ উলিয়াবলৈ দিব।



### গধুৰ বস্তুটোত (✓) চিন দিয়া

ক)  চক |  ডাষ্টাৰ ✓

ঘ)  কপাহ |  কাপোৰ


খ)  গছৰ গুটি |  শিলগুটি

ঙ)  কাঠৰ টুকুৰা |  লোৰ টুকুৰা

গ)  কাগজৰ টুকুৰা |  ৰবৰ

চ)  কিতাপ |  কলম

### অনুমান কৰা আৰু কোনটো গধুৰ, কোনটো পাতল কোৱা


আলু



ভেণ্ডী


মধুৰিআম


লিচু


**তোমাৰ অনুমান শুদ্ধ হয়নে নহয় জুখি চাওঁ আহা**

**ইয়াৰ বাবে প্ৰথমতে এখন তুলাচনী সাজি লওঁ আহা**



- দুখন প্লাষ্টিকৰ কাঁহী লোৱা। চিত্ৰত দেখুওৱাৰ দৰে সমান দুৰত তিনিটা ফুটা কৰা।
- প্ৰতিখন কাঁহীত তিনিডালকৈ ৰছী এই ফুটাবোৰৰ মাজেৰে সুমুৱাই দি প্লেট কেইখনৰ কিছু ওপৰত একেলগ কৰা।
- এতিয়া এডাল বাঁহৰ কামি বা স্কেল লৈ ইয়াৰ ঠিক সোঁমাজতে ৰছীৰে এটা আঙঠি বনাই গাঁঠি মাৰি দিয়া।
- এখন প্লেটৰ ফুটাৰ পৰা লগ হোৱা ৰছী কেইডাল বাঁহৰ কামিৰ এটা মূৰে বান্ধি দিয়া। ইখন প্লেটৰ ফুটাৰ পৰা লগ হোৱা ৰছী কেইডালো কামিৰ ইটো মূৰে বান্ধি দিয়া। আমি এখন তুলাচনী পালোঁ।


**এতিয়া আলু আৰু ভেণ্ডী তুলাচনীখনৰ দুয়োফালৰ কাঁহী দুখনত দি চোৱা। কি দেখিলা ?**



**আলু থকা কাঁহীখন তললৈ নামি গ'ল।**

তুলাচনীখনত আলু থকা কাঁহীখন তললৈ নামি যোৱা মানে আলুটো ভেণ্ডীতকৈ গধুৰ।

**সেইদৰে মধুৰিআম আৰু লিচুৰ ওজন জুখি চাওঁ আহা**




তুলাচনীখনত লিচু থকা কাঁহীখন ওপৰলৈ উঠি যোৱা মানে লিচুটো মধুৰিআমটোতকৈ পাতল।

**লিচু থকা কাঁহীখন ওপৰলৈ উঠি গ'ল**

বজাৰত দেখা সাধাৰণ তুলাচনী এখন



জানি লওঁ আহা ঃ বিভিন্ন বস্তুৰ ওজন জুখিবলৈ দাং-পাল্লা ব্যৱহাৰ কৰা হয়



ওজন জোখা সঁজুলি কিছুমান চাওঁ আহা








**দেওবাৰে এদিন**

ৰীমা, মীনা, নাজমা, পিক্‌লু আৰু সংলাইঁতে লগলাগি এদিন দেওবাৰে মীনাহঁতৰ ঘৰৰ বাৰীৰ পাছফালে একেলগে মিলি খিচিৰি খাবলৈ ঠিৰাং কৰিলে। সিহঁতে খিচিৰিৰ কাৰণে কি কি বস্তু বজাৰৰ পৰা কিনিব লাগিব, তাৰ এখন তালিকা প্ৰস্তুত কৰিলে। তালিকাখন এনেধৰণৰ

| | |
|---|---|
| চাউল ...................... | ৫ কাপ |
| মচুৰ দাইল .................. | ২ কাপ |
| আলু ...................... | ৩টা |
| নিমখ ...................... | ২ চামুচ |
| পিঁয়াজ ...................... | ৩টা |
| হালধি ...................... | ১ চামুচ |
| বিলাহী ...................... | ৩টা |
| মটৰ (বাকলি গুচোৱা) ....... | ১ বাটি |
| আদা ...................... | ১ টুকুৰা |
| পানী ...................... | ১ মগ |



**তালিকাখন প্ৰস্তুত কৰি ৰীমাহঁতে মীনাৰ মাকক দেখুৱালে**

**মীনাৰ মাকে দিয়া তালিকাখন এনেধৰণৰ**

| | |
|---|---|
| চাউল ............ | ১ কিলোগ্ৰাম |
| মচুৰ দাইল ....... | ১ কিলোগ্ৰাম |
| আলু ............ | ১ কিলোগ্ৰাম |
| পিঁয়াজ ............ | ১ কিলোগ্ৰাম |
| নিমখ ............ | ২০ গ্ৰাম |
| হালধি ............ | ১০ গ্ৰাম |
| বিলাহী............ | ৫০০ গ্ৰাম |
| মটৰ ............ | ২০০ গ্ৰাম |
| আদা ............ | ৫০ গ্ৰাম |
| পানী ............ | ২০ লিটাৰ |



মীনাহঁতে বজাৰলৈ গৈ মাকে লিখা তালিকাখন দোকানীক দিলে। সিহঁতে দেখিলে যে দোকানীয়ে কিছুমান বস্তু জুখিবলৈ কিলোগ্ৰামৰ দগা আৰু কিছুমান বস্তু জুখিবলৈ গ্ৰামৰ দগা লৈছে।

সিহঁতে তলত দিয়া ধৰণে ৫খন মোনাত বস্তুবোৰ ভৰালে
মীনাৰ মোনাত চাউল;
ৰীমাৰ মোনাত মচুৰ দাইল;
নাজমাৰ মোনাত আলু, পিঁয়াজ;
পিক্‌লুৰ মোনাত নিমখ, হালধি, মটৰ, আদা;
সংলাৰ মোনাত বিলাহী।



**সিহঁতৰ মোনাবোৰত থকা বস্তুবোৰৰ ওজন হিচাপ কৰি লিখা**

মীনাৰ মোনাৰ বস্তুৰ ওজন ....................
ৰীমাৰ মোনাৰ বস্তুৰ ওজন ..................
নাজমাৰ মোনাৰ বস্তুৰ ওজন ..................
পিক্‌লুৰ মোনাৰ বস্তুৰ ওজন ..................
সংলাৰ মোনাৰ বস্তুৰ ওজন ..................



বস্তুবোৰ লৈ সিহঁত ঘৰলৈ আহিল আৰু বস্তুবোৰ কুঁহিৰামকাইক দিলে।

কুঁহিৰামকায়ে খিচিৰি ৰান্ধিলে আৰু সিহঁতে তেওঁক সহায় কৰিলে।


আটাই কেইজনে আনন্দমনেৰে খিচিৰি খালে। সিহঁতে মাক আৰু কুঁহিৰামকাইক ধন্যবাদ জনালে।

## জানি লওঁ আহা ঃ ১ কিলোগ্ৰাম = ১০০০ গ্ৰাম




(ক) কম পৰিমাণ আৰু পাতল বস্তুৰ ওজন ল'বলৈ গ্ৰামৰ দগা ব্যৱহাৰ কৰা হয়


১০ গ্ৰাম


৫০ গ্ৰাম


১০০ গ্ৰাম


২০০ গ্ৰাম


৫০০ গ্ৰাম

(খ) বেছি পৰিমাণ আৰু গধুৰ বস্তুৰ ওজন ল'বলৈ কিলোগ্ৰামৰ দগা ব্যৱহাৰ কৰা হয়


১ কিলোগ্ৰাম


২ কিলোগ্ৰাম


৫ কিলোগ্ৰাম


১০ কিলোগ্ৰাম


২০ কিলোগ্ৰাম

**তলত দিয়া বস্তুবোৰ কিলোগ্ৰাম নে গ্ৰামত জুখিবা খালী ঠাইত লিখা**











**কাৰ ওজন বেছি**







## দোকানলৈ যাওঁ ব'লা

দোকানীয়ে ৰিতুলক কিছুমান বস্তু জুখি দিছে। বস্তুবোৰৰ মুঠ ওজন কিমান হিচাপ কৰোঁ আহা



আলু

১ কিলোগ্ৰাম + ১ কিলোগ্ৰাম
= ২ কিলোগ্ৰাম



পিঁয়াজ

১ কিলোগ্ৰাম + ৫০০ গ্ৰাম
= ১ কিলো ৫০০ গ্ৰাম




চাউল

২ কিলোগ্ৰাম + ২ কিলোগ্ৰাম
= ৪ কিলোগ্ৰাম



বুট

৫০০ গ্ৰাম + ২০০ গ্ৰাম
= ৭০০ গ্ৰাম



**বস্তুবোৰৰ মুঠ ওজন**


আলু —

পিঁয়াজ —

চাউল —

বুট —

মুঠ —



**দলত আলোচনা কৰি লিখোঁ আহা**

(ক) ৩ কিলোগ্ৰাম বস্তুৰ ওজন জুখিবলৈ ১ কিলোগ্ৰামৰ দগা কেইটা লাগিব? ☐

(খ) ২ কিলোগ্ৰাম বস্তুৰ ওজন জুখিবলৈ ৫০০ গ্ৰামৰ দগা কেইটা লাগিব? ☐

(গ) ২০ কিলোগ্ৰাম বস্তুৰ ওজন জুখিবলৈ ১০ কিলোগ্ৰামৰ দগা কেইটা লাগিব? ☐

(ঘ) ২৫০ গ্ৰাম ওজন জুখিবলৈ ৫০ গ্ৰামৰ দগা কেইটা লাগিব? ☐

তোমালোকৰ ঘৰত এসপ্তাহৰ বাবে বজাৰৰ পৰা অনা বস্তুৰ তালিকা প্ৰস্তুত কৰা (কিলোগ্ৰাম আৰু গ্ৰাম)

| বস্তুৰ নাম | কিলোগ্ৰাম | গ্ৰাম |
|---|---|---|
| .............................................................. | | |
| .............................................................. | | |
| .............................................................. | | |
| .............................................................. | | |
| .............................................................. | | |
| .............................................................. | | |

- কোনটো বস্তু আটাইতকৈ বেছি ব্যৱহাৰ হয়? ☐
- কোনটো বস্তু আটাইতকৈ কম ব্যৱহাৰ হয়? ☐

**কাৰ কিমান ওজন জুখি চাওঁ আহা**



মোৰ ওজন ——— কিলোগ্ৰাম